**GOVERNMENT OF ASSAM**
**FISHERY DEPARTMENT: DISPUR: GUWAHATI-6**

No.FISH.11/2026/8 Dated Dispur the 10th July, '2026

From : Under Secretary to the Govt. of Assam
Fishery Department &
Nodal Officer

To : The Secretary,
Assam Legislative Assembly, Dispur

Subject : Submission of reply /materials to the **Unstarred Assembly Question No.259 to be asked by Md. Nurul Huda, Hon'ble MLA**

Ref. : Unstarred Assembly Question No.259

Sir,

With reference to the subject cited above, I am directed to submit herewith the required 150 copies of cyclostyled reply to the **Unstarred Assembly Question No.259 to be asked by Md. Nurul Huda, Hon'ble MLA on 13/07/2026**.

Answer is uploaded in the website "neva.gov.in/Home/NeVA" of Assam Legislative Assembly.

This is for favour of your kind information and necessary action.

Enclo: As stated above.

Yours faithfully,

Under Secretary to the Govt. of Assam
Fishery Department

<u>অসম বিধান সভা</u>

বিষয়ঃ  অসমত বহিঃৰাজ্যৰ পৰা মাছৰ আমদানি সম্পৰ্কে।        তৰাবিহীন প্ৰশ্ন নং :  ২৫৯

বিধায়ক : মোঃ নুৰুল হুদাঃ                                              উত্তৰ দিয়া তাৰিখঃ ১৩/০৭/২০২৬

মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

**<u>প্ৰশ্ন</u>:**

(ক) ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষত অসমলৈ বহিঃৰাজ্যৰ পৰা কিমান পৰিমাণৰ মাছ আমদানি কৰা হৈছে আৰু কোন কোন ৰাজ্যৰ পৰা আমদানি কৰা হয়? ৰাজ্যভিত্তিক আৰু বছৰ ভিত্তিক আমদানিৰ পৰিমাণৰ তথ্য সদনত দাখিল কৰিব।

(খ) ৰাজ্যত বৰ্তমান মাছৰ মুঠ চাহিদা আৰু মুঠ উৎপাদন কিমান? চাহিদা আৰু উৎপাদনৰ মাজত থকা ব্যৱধান কিমান, তাৰ তথ্য সদনত দাখিল কৰিব।

(গ) মাছ উৎপাদনত ৰাজ্যখনক আত্মনিৰ্ভৰশীল কৰাৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে? উক্ত আঁচনিসমূহৰ বিতং তথ্য সদনত দাখিল কৰিব।

(ঘ) বহিঃৰাজ্যৰ মাছৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ বাবে চৰকাৰৰ কোনো সময়বদ্ধ কৰ্মপৰিকল্পনা আছে নেকি? যদি আছে, তাৰ বিৱৰণ সদনত দাখিল কৰিব।

**উত্তৰঃ**

মাননীয় মীন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা নীলিমা দেৱী মহোদয়াই উত্তৰ দিবঃ

(ক) ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষত অসমলৈ বহিৰাজ্যৰ পৰা আমদানি কৰা মাছৰ পৰিমাণ হ'লঃ

| বৰ্ষ | আমদানিকৃত মাছৰ পৰিমাণ (মেট্ৰিক টন) |
|---|---|
| ২০২৩-২৪ | ১৮২৪০.৮৩ |
| ২০২৪-২৫ | ২০৯২৫.৬১ |
| ২০২৫-২৬ | ২০৬২৩.৫৬ |

উক্ত বৰ্ষকেইটাত আমদানিকৃত মাছৰ পৰিমাণ  মুলতঃ অন্ধ্ৰপ্ৰদেশ, উত্তৰপ্ৰদেশ, পশ্চিমবঙ্গ আৰু বিহাৰৰ পৰা আমদানি কৰা হয়।

ৰাজ্যভিত্তিক আমদানিকৃত মাছৰ পৰিমাণৰ তথ্য সাধাৰণতে সংগ্ৰহ কৰা নহয়। এই তথ্যসমুহ সামগ্ৰিকভাবেহে সংগ্ৰহ কৰা হয়।

(খ) ২০২৫-২৬ বৰ্ষত অসমৰ আনুমানিক ৩.৬৮ কৌটি জনসংখ্যাৰ বিপৰীতে মাছৰ চাহিদাৰ পৰিমাণ হল ৫.৫৩ লাখ মেট্ৰিক টন আৰু উক্ত বৰ্ষত ঘৰুৱা মাছৰ উৎপাদন প্ৰায় ৫.৫৪ লাখ মেট্ৰিক টন। এই উৎপাদনৰ পৰা প্ৰায় ২২ হাজাৰ মেট্ৰিক টন মাছ আমাৰ চুবুৰীয়া ৰাজ্যসমূহলৈ ৰপ্তানি হয়। গতিকে আমাৰ ৰাজ্যখন মাছ উৎপাদনৰ ক্ষেত্ৰত প্ৰায় আত্মনিৰ্ভৰশীল হৈ উঠিছে।

উল্লেখ কৰিব পাৰি যে ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ৯০ শতাংশই বছৰি গড়ে ২০ কিলোগ্ৰামকৈ মাছ খোৱা হিচাবে গণ্য কৰিলে ৰাজ্যখনত মাছৰ চাহিদা প্ৰায় ৬.৬২ লাখ মেট্ৰিক টন হব।

(গ) মাছ উৎপাদনত ৰাজ্যখনক আত্মনিৰ্ভৰশীল কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ তলত উল্লেখ কৰা হ'লঃ

১. প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা (PMMSY)

২. গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF)

৩. ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন আঁচনি (SOPD)

৪. বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমুহ (Externally Aided Projects)

- অসম কৃষি বানিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প (APART)
- বহনক্ষম জলাশয় আৰু সংহত মীন ৰূপান্তৰকৰণ প্ৰকল্প (ADB- SWIFT)
- অসম ৰাজ্যিক জলজ কৃষি প্ৰসাৰ আৰু জীৱিকা উন্নীতকৰণ প্ৰকল্প (JICA-ASAPALI)

উক্ত আঁচনিসমূহৰ বিতং তথ্যসমুহ হ'ল-

১) প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা (PMMSY)ৰ অৰ্ন্তগত উপ-আঁচনি সমূহ হ'ল-

১) নতুন হেচ্চাৰী স্থাপন

২) নতুন পোনা প্ৰতিপালন পুখুৰী নিৰ্মান

৩) নতুন পুখুৰী নিৰ্মান

৪) মীন পালন পুখুৰীত ব্যৱহাৰ্য সামগ্ৰী যোগান

৫) সমন্বিত মীন পালনত ব্যৱহাৰ্য সামগ্ৰীৰ যোগান

৬) বিলত মাছপোনা মেলা

৭) আলংকাৰিক মাছ প্ৰতিপালনৰ ঘৰুৱা গোট

৮) বৃহৎ পুনঃচক্ৰীয় জলসংবৰ্ধন পদ্ধতি স্থাপন (Large RAS)

৯) মজলীয়া পুনঃচক্ৰীয় জলসংবৰ্ধন পদ্ধতি স্থাপন (Medium RAS)

১০) মজলীয়া বায়'ফ্লক পদ্ধতি স্থাপন (Medium Biofloc)

১১) ক্ষুদ্ৰ বায়'ফ্লক পদ্ধতি স্থাপন (Small Biofloc)

১২) সজা পদ্ধতিত মীন পালন (Cage Culture)

১৩) গঁড়াল পদ্ধতিত মীন পালন (Pen Culture)

১৪) শীত-তাপ নিয়ন্ত্ৰিত বাহন (Refrigerated Van)

১৫) ইনচুলেটৰযুক্ত বাহন (Insulated Van)

১৬) জীৱন্ত মাছ বিক্ৰীকেন্দ্ৰ (Live Fish Vending Centre)

১৭)মাছ বিক্ৰীৰ বাবে কিঅ'স্ক নিৰ্মাণ (Fish Kiosk)

১৮) হিম বাকচযুক্ত মটৰ চাইকেল (Motorcycle with Ice box)

১৯) হিম বাকচযুক্ত চাইকেল (Cycle with Ice box)

২০) হিম বাকচযুক্ত ই- ৰিক্সা (E-Rickshaw with ice box)

এই আঁচনিৰ অধীনত সাধাৰণ হিতাধিকাৰীৰ বাবে ৪০% আৰু অনুসূচিত জাতি/ অনুসূচিত জনজাতি/ মহিলাৰ বাবে ৬০% চৰকাৰী অনুদানৰ সুবিধা আছে।

২.  ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক **(**NABARD**)**ৰ অৰ্থ সাহায্যত ৰূপায়িত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF) ৰ অৰ্ন্তগত RIDF-XXVIII আৰু RIDF-XXIX ৰ অধীনত মীন বিভাগে ৰূপায়ন কৰা বিভিন্ন আঁচনিসমূহ হ'ল **:**

(**RIDF- XXVIII**)**:** ১৯ খন বিভাগীয় মীন পাম পুণৰ বিকাশৰ কাম চলি আছে

(**RIDF- XXIX**)**:**

- পুখুৰীত জল সংবৰ্দ্ধণৰ জৰিয়তে উদ্যোমিতা বিকাশ আঁচনি (১৯০ হেক্টৰ)
- ১৬ খন বিভাগীয় মীন পাম পুণৰ বিকাশৰ কাম চলি আছে

৩. ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন আঁচনি (SOPD)ৰ অধীনত ৰূপায়ণ হৈ থকা আঁচনি সমুহ হল-

- মাছ পালন চলি থকা পুখুৰীৰ বাবে মাছ-পোনা আৰু পালন সামগ্ৰী যোগান (৫৪হেক্টৰ)
- নতুন পুখুৰী খনন (৫২ হেক্টৰ)
- পুৰণি পুখুৰীৰ পুণৰ নিৰ্মান (৮১হেক্টৰ)

৪. বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমুহ (Externally Aided Projects)

বিশ্ববেংকৰ (World Bank)ৰ অৰ্থ সাহায্যত অসম কৃষি বানিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প (APART)ৰ অধীনত নিম্নোক্ত আঁচনি সমুহ ৰূপায়িত হৈছে।

১) প্ৰদৰ্শনীমূলকসংমিশ্ৰিত মীন পালন (Polyculture Demonstration)

২) ধানখেতিৰ লগত মীন পালন (Paddy cum Fish Culture)

৩) অলৱনীয় জলৰ মিছা মাছ পালন (Fresh Water Prawn Farming)

৪) উচ্চ উৎপাদনক্ষম মাছপোনা প্ৰতিপালন পুখুৰী নিৰ্মান **(**High Yielding variety Rearing Tank)

উল্লেখ থাকে যে, APARTৰ আঁচনিসমুহ ২০২৫ বৰ্ষত সমাপ্ত হৈছে যদিও মৎস্য উৎপাদন এতিয়াও চলি আছে।

এছিয়ান ডেভেলপমেণ্ট বেংকৰ (ADB)ৰ অৰ্থ সাহায্যত বহনক্ষম জলাশয় আৰু সংহত মীন ৰূপান্তৰকৰণ প্ৰকল্প (SWIFT**)**ৰ জৰিয়তে শতাধিক বিল আৰু জলাশয়ৰ ৪০০০ হেক্টৰতকৈও অধিক পানীকালি সামৰি বিজ্ঞানভিত্তিক উন্নয়ন তথা মাছ উৎপাদনৰ ব্যৱস্থা কৰা হৈছে।

জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা (JICA)ৰ অৰ্থ সাহায্যত অসম ৰাজ্যিক জলজ কৃষি প্ৰসাৰ আৰু জীৱিকা উন্নীতকৰণ প্ৰকল্প (ASAPALI) ৰ জৰিয়তে প্ৰায় ২০০০ হেক্টৰ মীনপালকৰ ব্যক্তিগত আৰু ৰাজহুৱা পুখুৰী (Existing Individual and Community Tank**)** নিৰ্বাচন কৰি মাছ উৎপাদন আৰু জীৱিকাৰ বাবে সহায় আগবঢ়োৱা হব।

(ঘ) বহিঃৰাজ্যৰ মাছৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ বাবে বৰ্তমানে চলি থকা আঁচনি সমূহৰ উপৰিও ৰাজ্যৰ মীন বিভাগে "এছিয়ান ডেভেলপমেণ্ট বেংকৰ (ADB)ৰ অৰ্থ সাহায্যত বহনক্ষম জলাশয় আৰু সংহত মীন ৰূপান্তৰকৰণ প্ৰকল্প (SWIFT**)**"ৰ জৰিয়তে শতাধিক বিল আৰু জলাশয়ৰ ৪০০০ হেক্টৰতকৈও অধিক পানীকালি সামৰি বিজ্ঞানভিত্তিক উন্নয়ন তথা মাছ উৎপাদনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও "জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা (JICA)"ৰ অৰ্থ সাহায্যত অসম ৰাজ্যিক জলজ কৃষি প্ৰসাৰ আৰু জীৱিকা উন্নীতকৰণ প্ৰকল্প (ASAPALI) ৰ জৰিয়তে প্ৰায় ২০০০ হেক্টৰ মীনপালকৰ ব্যক্তিগত আৰু ৰাজহুৱা পুখুৰী (Existing Individual and Community Tank**)** নিৰ্বাচন কৰি মাছ উৎপাদন আৰু জীৱিকাৰ বাবে সহায় আগবঢ়োৱা হব। লগতে, দ্বিতীয় পৰ্যায়ৰ প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা (PMMSY- 2.0) আৰু প্ৰধানমন্ত্ৰী মৎস্য কিষান সমৃদ্ধি সহ- যোজনা (PM-MKSSY)ৰ অধীনতো মৎস্য উৎপাদনৰ আঁচনিসমূহ চলি থাকিব।

বি: দ্ৰ: উত্তৰ সমূহ https://neva.gov.in/Home/NeVA upload কৰা হৈছে।